[২০২২] ৭ এছ.চি.আৰ. ১৯০

চৈতু গোৱালা আৰু এজন

বনাম

অসম চৰকাৰ

(ফৌজদাৰী আপীল নং ৩২৫ চন ২০২০)

৭ ছেপ্তেম্বৰ, ২০২০

**[ন্যায়াধীশ এম. আৰ শ্বাহ আৰু কৃষ্ণ মুৰাৰী]**

*দণ্ডবিধি, ১৮৬০–ধাৰা ৩০২ আৰু ১৪৯– আপীলকাৰীসকলৰ লগতে আন ৭০ জন অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে তেওঁলোকে কাম কৰা কোম্পানী এটাৰ পৰিচালন সঞ্চালকক হত্যা কৰাৰ অভিযোগ উত্থাপন হৈছিল – গুচৰীয়া পক্ষই আপীলকাৰীসকলক চিনাক্ত কৰা তিনিজন প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্য লৈছিল – বিচাৰ আদালতে আপীলকাৰীসকলক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছিল – উচ্চ ন্যায়ালয়ে দোষী সাব্যস্ত কৰি দিয়া ৰায় বাহাল ৰাখিছিল – আপীলত বিচাৰ কৰা হয়: প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্য বিবেচনা কৰিলে আপীলকাৰীয়ে মৃতকক কোনো ধৰণে আঘাত কৰিছিল আৰু অপৰাধ সংঘটিত কৰাত কোনো ধৰণে অংশগ্ৰহণ কৰিছিল তাৰ কোনা সাক্ষ্য পোৱা নাযায় – মজুৰিৰ ক্ষেত্ৰত কিছু বিবাদ হৈছিল আৰু আপীলকাৰীসকল শ্ৰমিক সংঘৰ বিষয়ববীয়া হিচাপে ঘটনাস্থলীত উপস্থিত আছিল – নথিত উল্লেখ আছে যে আপীলকাৰী- চৈতু গোৱালাই শ্ৰমিকসকলক নিজৰ ভাষাত কিবা কৈছিল যাৰ পিছত শ্ৰমিকসকল অতি উত্তেজিত হৈ পৰিছিল – কিন্তু আপীলকাৰীয়ে কি কৈছিল সেই কথা নথিত উল্লেখ নাই – বস্তুনিষ্ঠ সাক্ষ্য অবিহনে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১৪৯ৰ সহায় লৈ আপীলকাৰীসকলক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ ৰ অধীনত দোষী সাব্যস্ত কৰিব নোৱাৰি – উচ্চ ন্যায়ালয় আৰু বিচাৰ আদালতৰ বিবাদিত ৰায় বাতিল কৰা হল।*

**আপীল মঞ্জুৰ কৰি আদালতে**

**বিচাৰ কৰে: প্ৰত্যক্ষদৰ্শী সাক্ষী নং-৩, সাক্ষী নং-4 আৰু সাক্ষী নং-৬ ৰ জবানবন্দী বিবেচনা কৰিলে একো পোৱা নাযায় যে আপীলকাৰীসকলে মৃতকৰ ওপৰত কোনো ধৰণে আঘাত কৰিছিল আৰু/বা যিবোৰ অপৰাধৰ বাবে তেওঁলোকক দোষী সাব্যস্ত কৰা হৈছে সেইবোৰ অপৰাধ সংঘটিত কৰাত কোনো ধৰণে অংশগ্ৰহণ কৰিছিল। যদি সমগ্ৰ প্ৰমাণ আৰু প্ৰত্যক্ষদৰ্শীৰ জবানবন্দী পৰীক্ষা কৰা হয়, তেন্তে দেখা যায় যে প্ৰকৃততে আপীলকাৰীসকল তাত সংঘৰ বিষয়ববীয়া হিচাপে উপস্থিত আছিল। মজুৰিৰ ক্ষেত্ৰত কিছু বিবাদ হৈছিল। আনকি সাক্ষী নং-৩ৰ জবানবন্দী অনুসৰি, আপীলকাৰীসকলে তেওঁলোকক মাতি অনাৰ লগে লগে কাৰ্যালয়ৰ কোঠাত প্ৰৱেশ কৰিছিল যদিও অতি সোনকালেই দুয়োজনে ওলাই আহি গোট খোৱা শ্ৰমিকসকলক কৈছিল যে পৰিচালন সঞ্চালকে তেওঁলোকে পাব লগা ধন বিতৰণ কৰিব আৰু তেওঁলোকক ধন বিতৰণ কৰিব লগা ঠাইলৈ যাবলৈ কৈছিল। তথাপিও শ্ৰমিকসকলে সম্পূৰ্ণ পাবলগীয়া ধনৰ বাহিৰে আন একো গ্ৰহণ নকৰো বুলি প্ৰতিবাদ কৰি চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। আন শ্ৰমিকসকলে– সহ-অভিযুক্তসকলে মৃত পৰিচালন সঞ্চালকৰ পি এছ অ'ৰ হাতত থকা কাৰবাইন কাঢ়ি লৈ গ'ল আৰু সেই কথাত পৰিচালন সঞ্চালকে আপীলকাৰী– চৈতু গোৱালাক সুধিলে যে সাক্ষী নং-৩ এজন চৰকাৰী কৰ্মচাৰী, তেওঁৰ অস্ত্ৰ কিয় কাঢ়ি লোৱা হ'ল । নথিত উল্লেখ আছে যে তেনে সময়ত আপীলকাৰী– চৈতু গোৱালাই শ্ৰমিকসকলক নিজৰ ভাষাত কিবা**

**এটা কৈছিল যাৰ পিছত শ্ৰমিকসকল অতি উত্তেজিত হৈ পৰিছিল। অভিযুক্ত/ আপীলকাৰী – চৈতু গোৱালাই কি কৈছিল সেই কথা একো নথিত নাই। গতিকে, আপীলকাৰীসকলে মৃতক আৰু/বা পি এছ অ'ক আক্ৰমণ কৰা আৰু/বা কোনো ধৰণৰ আঘাত কৰা বুলি কোনো সুনির্দিষ্ট প্রমাণৰ অভাৱত আৰু আপীলকাৰীসকলে নিজৰ ভাষাত কি কথা কৈছিল তাৰ প্ৰমাণ অবিহনে– আপীলকাৰীসকলে শ্ৰমিকসকলক- আন সহ-অভিযুক্তসকলক উচটনি দিছিল তাৰ প্ৰমাণ অবিহনে – আপীলকাৰীসকলক ধাৰা ১৪৯ৰ সহায় লৈ আপীলকাৰীসকলক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ ৰ অধীনত দোষী সাব্যস্ত কৰিব নোৱাৰি । আপীলকাৰীসকলক যিবোৰ অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হৈছে সেইবোৰ বাহাল ৰাখিব নোৱাৰি। [দফা ৫] [১৯৩-বি-এইচ; ১৯৪-এ]**

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ: ফৌজদাৰী আপীল নং ৩২৫/ ২০২০।

গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ৬২/২০১৩ ত ০৪.১২.২০১৮ তাৰিখে দিয়া ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা ।

আপীলকাৰীৰ অধিবক্তা- মনিশ গোস্বামী আৰু ৰামেশ্বৰ প্ৰসাদ গোৱেল ।

প্ৰতিপক্ষৰ অধিবক্তা- দিক্ষা ৰায়, ৰাগিনি পাণ্ডে আৰু দেৱজিত বৰকাকতি ।

আদালতৰ ৰায় প্ৰদান কৰে-

**ন্যায়াধীশ এম. আৰ শ্বাহে-**

১) গৌহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ফৌজদাৰী আপীল নং ৬২/২০১৩ খাৰিজ কৰি ০৪.১২.২০১৮ তাৰিখে প্ৰদান কৰা বিবাদিত ৰায় আৰু আদেশেৰে আপীলকাৰী – চৈতু গোৱালা আৰু অজয় আহাৰীয়ে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২, ৩৯২, ১৪৮, ৩২৩, আৰু ১৪৯ৰ অধীনত অপৰাধৰ কৰাৰ বাবে দোষী সাব্যস্ত হোৱাটো নিশ্চিত কৰে (মূল অভিযুক্ত ক্ৰমে ২ আৰু ১ নং) আৰু তেওঁলোকক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। আপীলকাৰীসকলে উক্ত বিবাদিত ৰায় আৰু আদেশেত অসন্তুষ্ট হৈ এই আপীল দাখিল কৰিছে।

২) এই গোচৰত আপীলকাৰীসকলে অন্যান্য (৭০ জন) সহ-অভিযুক্তৰ সৈতে যিটো কোম্পানীত কাম কৰিছিল সেই কোম্পানীটোৰ পৰিচালন সঞ্চালক ৰূপক কুমাৰ গগৈক হত্যা কৰাৰ বাবে তেওঁলোকৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৯২/১৪৮/৩২৩/ আৰু ১৪৯ৰ অধীনৰ অপৰাধৰ গোচৰত বিচাৰ কৰা হৈছিল । ঘটনাৰ সময়ত আপীলকাৰীসকল আছিল সংঘৰ সভাপতি আৰু সম্পাদক। গুচৰীয়া পক্ষই সাক্ষী নং-৩, সাক্ষী নং-৪, আৰু সাক্ষী নং-৬ক প্ৰত্যক্ষদৰ্শী হিচাপে পৰীক্ষা কৰিছিল যিয়ে আপীলকাৰী আৰু অন্যান্য অভিযুক্তসকলক চিনাক্ত কৰিছিল। বিচাৰৰ অন্তত বিচাৰ আদালতে সাক্ষী প্ৰমাণ বিবেচনা কৰি ৫৭ জন অভিযুক্তক দোষমুক্ত কৰিছিল যদিও আপীলকাৰীকে ধৰি ১৩ জন অভিযুক্তক পূৰ্বতে উল্লেখ কৰা অপৰাধৰ বাবে দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে অন্যান্য অপৰাধৰ বাবে বিভিন্ন শাস্তি প্ৰদান কৰে। এই আপীলৰ আপীলকাৰীকে ধৰি তেৰজন অভিযুক্তক দোষী সাব্যস্তকৰণ উচ্চ ন্যায়ালয়ে বিবাদিত ৰায় আৰু আদেশৰে নিশ্চিত কৰিছে ।

২.১ মুঠতে ছয়জন অভিযুক্তই এই আপীল/বিশেষ অনুমতিৰ আবেদন দাখিল কৰে। কিন্তু ২৫.০৩.২০১৯ তাৰিখৰ আদেশ অনুসৰি ৩ৰ পৰা ৬ নং আবেদনকাৰীৰ বিশেষ অনুমতিৰ আবেদন খাৰিজ কৰা হয়। গতিকে এই আপীল বাকী থকা অভিযুক্ত ক্ৰমে চৈতু গোৱালা আৰু অজয় আহাৰী– মূল অভিযুক্ত নং ২ আৰু ১ ৰ বাবে বৰ্তী থাকিল।

৩) অভিযুক্তৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান অধিবক্তাই সজোৰে দাবী কৰিছে যে আপীলকাৰীসকলৰ বিৰুদ্ধে কোনো প্ৰমাণ নাই যে তেওঁলোকে মৃতকক কোনো ধৰণে আঘাত কৰিছিল আৰু/বা যিবোৰ অপৰাধৰ বাবে তেওঁলোকক দোষী সাব্যস্ত কৰা হৈছে সেইবোৰ অপৰাধ সংঘটিত কৰাত অংশগ্ৰহণ কৰিছিল। যুক্তি প্ৰদৰ্শন কৰা হৈছে যে প্ৰকৃততে আপীলকাৰীসকল সংঘৰ বিষয়ববীয়া হিচাপে তাত আছিল আৰু যেতিয়া আলোচনা চলি আছিল তেতিয়া শ্ৰমিকসকলে তাত গোট খাই মৃতকক আক্ৰমণ কৰিছিল। যুক্তি প্ৰদৰ্শন কৰা হৈছে যে প্ৰকৃততে আপীলকাৰীসকলে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তাত গোট খোৱা লোকসকলে মৃতক–পৰিচালন সঞ্চালকক আক্ৰমণ কৰিছিল যিয়ে আঘাতপ্ৰাপ্ত হৈ মৃত্যুবৰণ কৰিছিল। যুক্তি প্ৰদৰ্শন কৰা হৈছে যে আনকি আপীলকাৰীসকলে গোট খোৱা মানুহবোৰক উচটনি দিয়াৰো কোনো প্ৰমাণ নথিত নাই। যুক্তি প্ৰদৰ্শন কৰা হৈছে যে প্ৰত্যক্ষদৰ্শীয়ে যিদৰে জবানবন্দী দিছে সেয়া বিবেচনা কৰিলেও আপীলকাৰীসকলে এনে কোনো অপৰাধ কৰিছে বুলি ক'ব নোৱাৰি, যাৰ বাবে তেওঁলোকক দোষী সাব্যস্ত কৰা হৈছে, বিশেষকৈ ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ ৰ অধীনত। আপীলকাৰীসকলৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান অধিবক্তাই আমাক সংশ্লিষ্ট সাক্ষীৰ জবানবন্দী পঢ়িবলৈ আহ্বান জনাইছে।

৪) আনহাতে, এই আপীলৰ বিৰোধিতা কৰি ৰাজ্য চৰকাৰৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান অধিবক্তাই দাবী কৰিছে যে নথিত থকা প্ৰত্যক্ষদৰ্শী সাক্ষী নং--৩, সাক্ষী নং--৪ আৰু সাক্ষী নং--৬ৰ জবানবন্দীৰ পৰা জানিব পাৰি যে আপীলকাৰীসকলে, যিসকল বিষয়ববীয়া আছিল, গোট খোৱা মানুহবোৰ তাঁলৈ অহাৰ পিছত তেওঁলোকে নিজৰ ভাষাত কিবা কথা পাতিছিল। দাবী কৰা হৈছে যে সেয়েহে আপীলকাৰীসকলক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১৪৯ সহায়ত সঠিকভাৱে দোষী সাব্যস্ত কৰা হৈছে। ৰাজ্য চৰকাৰৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান অধিবক্তাই আমাক সাক্ষী নং-৩, সাক্ষী নং-৪ আৰু সাক্ষী নং-৬ৰ জবানবন্দী পঢ়িবলৈ আহ্বান জনাইছে।

৫) আমি দুয়ো পক্ষৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান অধিবক্তাসকলে দীঘলীয়াকৈ আগবঢ়োৱা যুক্তি শুনিছো। বিচাৰ আদালতে দিয়া ৰায় আৰু আদেশৰ লগতে উচ্চ ন্যায়ালয়ে প্ৰদান কৰা বিবাদিত ৰায় আৰু আদেশৰ বিষয়ে আমি বিতংভাৱে পঢ়িছো। আমি সংশ্লিষ্ট সাক্ষীসকলৰ জবানবন্দীও বিতংভাৱে বিবেচনা কৰিছো, বিশেষকৈ সাক্ষী নং-৩, সাক্ষী নং-৪ আৰু সাক্ষী নং-৬ ৰ জবানবন্দী, যিসকল প্ৰত্যক্ষ সাক্ষী আছিল। প্ৰত্যক্ষদৰ্শীৰ জবানবন্দী বিবেচনা কৰিলে, আপীলকাৰীসকলে মৃতকৰ ওপৰত কোনো ধৰণৰ আঘাত কৰা আৰু/বা যিবোৰ অপৰাধৰ বাবে তেওঁলোকক দোষী সাব্যস্ত কৰা হৈছে, সেইবোৰ সংঘটিত কৰাত কোনো ধৰণে অংশগ্ৰহণ কৰা বুলি একো প্ৰমাণ পোৱা নাযায়। যদি সমগ্ৰ প্ৰমাণ আৰু প্ৰত্যক্ষদৰ্শীৰ জবানবন্দী পৰীক্ষা কৰা হয়, তেন্তে দেখা যায় যে প্ৰকৃততে আপীলকাৰীসকল তাত সংঘৰ বিষয়ববীয়া হিচাপে উপস্থিত আছিল। মজুৰিৰ ক্ষেত্ৰত কিছু বিবাদ হৈছিল। আনকি সাক্ষী নং-৩ৰ জবানবন্দী অনুসৰি, আপীলকাৰীসকলে তেওঁলোকক মাতি অনাৰ লগে লগে কাৰ্যালয়ৰ কোঠাত প্ৰৱেশ কৰিছিল যদিও অতি সোনকালেই দুয়োজনে ওলাই আহি গোট খোৱা শ্ৰমিকসকলক কৈছিল যে পৰিচালন সঞ্চালকে তেওঁলোকে পাব লগা ধন বিতৰণ কৰিব আৰু তেওঁলোকক ধন বিতৰণ কৰিব লগা ঠাইলৈ যাবলৈ কৈছিল। তথাপিও শ্ৰমিকসকলে সম্পূৰ্ণ পাবলগীয়া ধনৰ

বাহিৰে আন একো গ্ৰহণ নকৰো বুলি প্ৰতিবাদ কৰি চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। আন শ্ৰমিকসকলে– সহ-অভিযুক্তসকলে মৃত পৰিচালন সঞ্চালকৰ পিএছঅ'ৰ হাতত থকা কাৰবাইন কাঢ়ি লৈ গ'ল আৰু সেই কথাত পৰিচালন সঞ্চালকে আপীলকাৰী– চৈতু গোৱালাক সুধিলে যে সাক্ষী নং-৩ এজন চৰকাৰী কৰ্মচাৰী, তেওঁৰ অস্ত্ৰ কিয় কাঢ়ি লোৱা হ'ল । নথিত উল্লেখ আছে যে তেনে সময়ত আপীলকাৰী– চৈতু গোৱালাই শ্ৰমিকসকলক নিজৰ ভাষাত কিবা কৈছিল আৰু তাৰ পিছতে শ্ৰমিকসকল অতি উত্তেজিত হৈ পৰিছিল। অভিযুক্ত/ আপীলকাৰী – চৈতু গোৱালাই কি কৈছিল সেই কথা একো নথিত নাই। গতিকে, আমি নিশ্চিত যে আপীলকাৰীসকলে মৃতক আৰু/বা পি এছ অ'ক আক্ৰমণ কৰা আৰু/বা কোনো ধৰণৰ আঘাত কৰা বুলি কোনো সুনিৰ্দিষ্ট প্ৰমাণৰ অভাৱত আৰু আপীলকাৰীসকলে নিজৰ ভাষাত কি কথা কৈছিল তাৰ প্ৰমাণ অবিহনে– আপীলকাৰীসকলে শ্ৰমিকসকলক- আন সহ-অভিযুক্তসকলক উচটনি দিছিল তাৰো প্ৰমাণ অবিহনে ধাৰা ১৪৯ৰ সহায় লৈ আপীলকাৰীসকলক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ ৰ অধীনত দোষী সাব্যস্ত কৰিব নোৱাৰি । আপীলকাৰীসকল অৰ্থাৎ চৈতু গোৱালা আৰু অজয় আহাৰীক যিবোৰ অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হৈছে, সেয়া বাহাল ৰাখিব নোৱাৰি।

৬) ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি আৰু ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে উচ্চ ন্যায়ালয় আৰু বিচাৰ আদালতে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৯২/১৪৮/৩২৩/১৪৯ৰ অধীনত অপৰাধৰ বাবে আপীলকাৰী চৈতু গোৱালা আৰু অজয় আহাৰীক দোষী সাব্যস্ত কৰি দিয়া বিবাদিত ৰায় আৰু আদেশ খাৰিজ কৰা হৈছে। অৱশ্যে আন অভিযুক্তসকলক দোষী সাব্যস্ত কৰি উচ্চ ন্যায়ালয়ে দিয়া বিবাদিত ৰায় আৰু বিচাৰ আদালতৰ ৰায় ইতিমধ্যে নিশ্চিত কৰা হৈছে। এই আপীলৰ আপীলকাৰীসকল তথা মূল অভিযুক্ত ক্ৰমে ২ আৰু ১ নং –চৈতু গোৱালা, পিতা- কৰ্ম গোৱালা আৰু অজয় আহাৰী, পিতা- প্ৰয়াত সমৰো আহৰি, তেওঁলোকৰ বিৰুদ্ধে বিচাৰ চলাই দোষী সাব্যস্ত কৰি দিয়া ৰায় খাৰিজ কৰি এই ৰায়ৰ দ্বাৰা তেওঁলোকক দোষমুক্ত কৰা হৈছে। আন কোনো ক্ষেত্ৰত প্ৰয়োজন নহ'লে হ'ব। আন কোনো গোচৰত প্ৰয়োজন নহলে আপীলকাৰীসকলক তৎক্ষণাত মুকলি কৰি দিয়া হওক।

২০) গতিকে এই আপীল মঞ্জুৰ কৰা হ'ল ।

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হ'ব।" )